# লম্বোদৰ বৰা



**চন্দ্ৰ বৰা**

**''শোণিত সুবাস'' ঃ** তেজপুৰ তথা শোণিতপুৰৰ বিশিষ্ট বৰেণ্য ব্যক্তিৰ গ্ৰন্থমালা। প্ৰকাশক অসমীয়া ক্লাব, তেজপুৰ, ৱাৰ্ড নং - ৫, পিন - ৭৮৪০০১

প্ৰকাশক ঃ সম্পাদক, অসমীয়া ক্লাব, তেজপুৰ
ৱাৰ্ড নং - ৫, পিন ঃ ৭৯৪০০১,

ঃ **লম্বোদৰ বৰা**
লিখক ঃ চন্দ্ৰ বৰা

প্ৰচ্ছদ ঃ কুমুদ বৰুৱা, তেজপুৰ
সম্পাদক ঃ ৰুবুল শৰ্ম্মা
সম্পাদনা সহযোগী ঃ হেমন্ত কুমাৰ লহকৰ

© ঃ অসমীয়া ক্লাব, তেজপুৰ

প্ৰথম প্ৰকাশ ঃ **এপ্ৰিল, ২০১৫**

বৰঙণি ঃ ২০.০০ টকা

ছপা ঃ টাইকল ষ্টাইল ট্ৰেক, কুমাৰ গাঁও, তেজপুৰ

**Sonit Subash :** A Series of Books on the legendary persons of Tezpur, Sonitpur. Published by Asomiya Club, Tezpur, ward No - 5, PIN - 784001

# প্ৰকাশকৰ একাষাৰ

ইতিহাসক প্ৰগতিৰ দিশলৈ আগুৱাই নিয়াৰ ক্ষেত্ৰত কিছু বিশিষ্ট ব্যক্তিৰ বৰঙণি সদায়েই গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈ আহিছে। কিন্তু অতি পৰিতাপৰ বিষয় যে উঠি অহা ন-প্ৰজন্ম আমাৰ বুৰঞ্জীৰ শিপাৰ পৰা বিচ্ছিন্ন হোৱাৰ সংশয়ে দেখা দিছে। আনহাতে স্বনামধন্য, বৰেণ্য ব্যক্তিৰ ঐতিহাসিক সামাজিক ভূমিকা সম্পৰ্কে ন-প্ৰজন্মক অবগত কৰোৱাৰ বিশেষ উদ্যোগ দেখা পোৱা নাযায়। এই ক্ষেত্ৰত চৰকাৰী-বেচৰকাৰী অনুষ্ঠান প্ৰতিষ্ঠানসমূহৰ ভূমিকাও আশাব্যঞ্জক নহয় আৰু পঢ়াশালিৰ পাঠ্যপুঠিতো বিশেষ গুৰুত্ব দিয়া নহয়।

শোণিতপুৰ বা তেজপুৰত এনে বহু ব্যক্তি আছে যি একোটা যুগত দেশ, জাতি, সমাজ-সংস্কৃতি তথা সাহিত্যৰ ক্ষেত্ৰত আপুৰুগীয়া অৱদান ৰাখি গৈছে আৰু আজিও চৰ্চিত হৈ আছে। কিছু ব্যক্তিয়ে জীৱনৰ অধিক সময়েই সমাজৰ হিতৰ বাবে অক্লান্ত পৰিশ্ৰম কৰি গ'ল; অথচ তেওঁলোকৰ অৱদান বালিৰ তলৰ মুকুতা হৈ পৰি আছে। এনে সকলো ব্যক্তিৰ উজ্বল দিশসমূহৰ এক সম্যক পৰিচয় জনমানসৰ ওচৰত তুলি ধৰাৰ পুনৰ প্ৰয়োজন হৈছে। এই লক্ষ্যত ''অসমীয়া ক্লাব, তেজপুৰ''এ শোণিতপুৰ বিশেষকৈ তেজপুৰৰ বৰেণ্য ব্যক্তিৰ পৰিচয়মূলক এলানি পুথি প্ৰকাশৰ দিহা কৰিছে।

ই এক জটিল তথা দুৰূহ কাম, যদিও ক্লাবে তেনে বিশিষ্ট ব্যক্তিৰ এখন দীঘলীয়া তালিকা প্ৰস্তুত কৰিছে। প্ৰথমে কোন কোন ব্যক্তিক প্ৰাধান্য দিয়া হ'ব ? ইয়াৰ উত্তৰত আমি ঠিক কৰিছো যে অসমীয়া ক্লাবৰ সৈতে জড়িত হোৱা ব্যক্তিক প্ৰথমে আমি তুলি ধৰিম যদিও ঐতিহাসিক প্ৰেক্ষাপটৰ ওপৰত ঠিয় হৈ আনসকলকো গুৰুত্ব দিয়া হ'ব। আনহাতে তেজপুৰৰ কিছু বৰেণ্য, বাটকটীয়া ব্যক্তি সমাজত তথা সমগ্ৰ অসমত বহুল চৰ্চিত হৈছে আৰু হৈ আছে; তেনে ব্যক্তিক সদ্যহতে আমি অন্তৰ্ভূক্ত কৰা নাই। উদাহৰণ স্বৰূপে জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণু প্ৰসাদ ৰাভা আদি।

'অসমীয়া ক্লাবে' অহা ২০১৫ চনত শতবৰ্ষ উদ্‌যাপন কৰিব। তেতিয়ালৈ কমেও ২০খন পুথি প্ৰকাশৰ লক্ষ্য লৈছে। পৰ্য্যায়ক্ৰমে পাঁচখনকৈ পুথি প্ৰকাশ কৰা হ'ব। 'শোণিত সুবাস' নামেৰে এই গ্ৰন্থমালাৰ নামাকৰণ কৰা হৈছে। আমি নিৰ্দ্দিষ্ট ব্যক্তিৰ পৰিয়ালৰ লোকৰ দ্বাৰা পুথি প্ৰস্তুত কৰিবলৈ চেষ্টা কৰিছো যদিও আন লেখকৰ দ্বাৰাও এই প্ৰচেষ্টা চলোৱা হৈছে।

আমি বেটুপাতৰ প্ৰথম আৱৰণত অসমীয়া ক্লাবৰ জন্মলগ্নত জড়িত থকা আৰু অসমীয়া ক্লাবৰ আহুকালৰ সময়ত জড়িত প্ৰয়াত নমস্য ব্যক্তিৰ ছবি সন্নিবিষ্ট কৰিছো। পিছৰ আৱৰণতো একেই আধাৰ গ্ৰহণ কৰা হৈছে।

বিশিষ্ট ব্যক্তিৰ চমু পৰিচয়মূলক পুথি প্ৰণয়নৰ ওপৰতেই প্ৰধানকৈ জোৰ দিছো, সেয়েহে মূল্যায়ন বা ব্যাখ্যা কৰাৰ পৰা বিৰত আছো। লগতে নিৰ্দ্দিষ্ট ব্যক্তিৰ কোনো বিশেষণো আমি নামৰ সৈতে যুক্ত কৰা নাই; যদিও জনপ্ৰিয় উপাধিৰ সম্পৰ্কে লিখনিত প্ৰকাশ কৰাত কাৰ্পন্যও কৰা নাই। সৰু হাতপুথিৰ লেখিয়াকৈ প্ৰকাশৰ সিদ্ধান্ত লোৱাৰ বাবে আমি সম্পাদনাও কৰিবলগীয়া হৈছে। তাৰবাবে ক্লাবে শ্ৰী ৰুবুল শৰ্মাক দায়িত্ব দিয়ে।

সম্পাদনাৰ ক্ষেত্ৰত লোৱা পদ্ধতি হ'ল, যি পুথিৰ পাণ্ডুলিপিৰ কলেৱৰ প্ৰয়োজনতকৈ দীঘল হৈছে তাক চমু কৰিবলৈ চেষ্টা কৰা হৈছে; যদিও লিখকৰ মূল কথা বা গুৰুত্বপূৰ্ণ তথ্য অক্ষত ৰখা হৈছে। একেদৰে চমু হোৱা পাণ্ডুলিপিৰ কলেৱৰ বঢ়োৱা হৈছে। যিসকল বৰেণ্য ব্যক্তি অসমীয়া ক্লাৱৰ সৈতে জড়িত আছিল, সেইসকলৰ ক্লাবৰ সৈতে থকা সম্পৰ্ক তুলি ধৰিবলৈ চেষ্টা কৰা হৈছে।

পাণ্ডুলিপি প্ৰস্তুত কৰা ব্যক্তিৰ একাংশ নিয়মীয়া লেখক নহয়। গতিকে আমি সাহিত্যতকৈ নিৰ্দ্দিষ্ট ব্যক্তিৰ ঐতিহাসিক, সামাজিক পৰিসৰত নিজস্ব অবদান, ত্যাগ তথা কৰ্মৰ ওপৰত বিশেষ গুৰুত্ব দিছো। বানান বিভ্ৰাট কমাবলৈ অশেষ চেষ্টা কৰা হৈছে যদিও সফলকাম হ'ব পাৰিছো বুলি দাবী কৰিব নোৱাৰো।

আমি প্ৰকাশিত পুথিৰ অৰিহণা নিৰ্দ্ধাৰণ কৰিছো তথাপিও বিভিন্ন অনুষ্ঠান, প্ৰতিষ্ঠান তথা ব্যক্তিৰ বৰঙণিও আশা কৰিছো। যাতে ধাৰাবাহিক ভাবে এনে পুথি প্ৰকাশ কৰাত অসমীয়া ক্লাব আৰ্থিক দৈন্যত নপৰে।

যিসকলে লিখা প্ৰস্তুত কৰি দি ক্লাবৰ এই মহান কামত সহায় কৰিলে, বেটুপাতৰ প্ৰচ্ছদ আঁকি শ্ৰদ্ধেয় কুমুদ বৰুৱাই যি সহায় কৰিলে, যি সকলে বিভিন্ন তথ্য সৰবৰাহ কৰি সহায়ৰ হাত আগবঢ়ালে সেই সকলোলৈকে অসমীয়া ক্লাবে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। লগতে 'টাইকল' প্ৰেছৰ সমূহ কৰ্মীবৃন্দক ধন্যবাদ জ্ঞাপন কৰিছো।

অসমীয়া ক্লাবৰ এই মহান উদ্যোগক আগুৱাই নিয়াৰ বাবে সকলোৰে সহায় সহযোগ আৰু দিহা পৰামৰ্শ কামনা কৰো।

**- অসমীয়া ক্লাব, তেজপুৰ**

**পাতনি ঃ** এটা জাতি জীয়াই থাকে জাতিটোৰ সাহিত্য আৰু সংস্কৃতিৰ ওপৰত। এখন দাপোণৰ দৰে জাতিটোৰ মানমৰ্যাদা, শিক্ষা-দীক্ষা, কলা সংস্কৃতি প্ৰতিফলিত কৰে সাহিত্যই, সংস্কৃতিয়ে। অসমীয়া ভাষাই প্ৰাচীন ভাৰতীয় আৰ্যভাষা সংস্কৃতৰ পৰা দশম একাদশ শতিকাত জন্মলয় বুলি ভাষাবিদ পণ্ডিতসকলে মত পোষণ কৰিছে। এই অতি উন্নত সংস্কৃত ভাষাৰ লগত - অসমত সেই যুগত বসবাস কৰা আমাৰ বিভিন্ন জাতি জনগোষ্ঠীৰ নিজস্ব ভাষা অথবা দোৱানৰ লগত সংমিশ্ৰিত হৈ জাতিটোৰ চিন্তাশীল ব্যক্তিসকলৰ কষটি শিলত ঘহনি খাই খাই যুগে যুগে ক্ৰমবিকশিত হৈ আজিৰ এই সুন্দৰ বিশ্ববৰেণ্য অসমীয়া ভাষাৰ ৰূপ লৈছেহি।

কিন্তু আজিৰ এই সুন্দৰ ভাষাই বহুতো বাধাৰ প্ৰাচীৰ ভাঙিব লগা হৈছিল। ১৮২৬ চনত অসম ইংৰাজৰ অধীনলৈ অহাৰ পিছত ১৮৩৬ চনলৈকে অসমীয়া ভাষা অসমৰ পঢ়াশালি, চৰকাৰী কাৰ্যালয়, আদালত আদিত চলি আছিল। কিন্তু সেই সময়ৰ ইংৰাজ চৰকাৰৰ বেছিভাগ বঙালী কেৰাণী মহৰীয়ে অসমীয়া ভাষাটো বঙালী ভাষাৰ অপভ্ৰংশ আৰু অসমীয়া বুলি কোনো ভাষা নাই বুলি অসত্য তথ্যৰে চৰকাৰক পতিয়ন নিয়াই ওপৰত উল্লিখিত সকলো অনুষ্ঠানতে বঙালী ভাষা চলাবলৈ ল'লে। ১৮৩৬ চনৰ পৰা ১৮৭২ চনলৈকে প্ৰায় দুকুৰি বছৰ অসমীয়া ভাষাৰ অন্ধকাৰ যুগ বুলিব পাৰি। কিন্তু সেই অন্ধকাৰ যুগতে জন্ম লোৱা বহুকেইজন অসমীয়া ভাষা সাহিত্যৰ পূজাৰীয়ে অসমীয়া ভাষাৰ হৃত মৰ্যাদা পুনৰ ঘূৰাই আনিবৰ বাবে অহোপুৰুষাৰ্থ কৰিছিল। সেই সকলৰ কেইজনমান হ'ল ডাঙৰীয়া দীননাথ বেজবৰুৱা, ডাঙৰীয়া ঘিনাৰাম গোহাঞি বৰুৱা, (পদ্মনাথ গোহাঞি বৰুৱাৰ পিতৃ, যিজনে ১৯১২ চনতে প্ৰথম অসম সাহিত্য সভাৰ অধিবেশন পাতিছিল, উঃ লক্ষ্মীমপুৰত), ৰায়বাহাদুৰ গুণাভিৰাম বৰুৱা, আনন্দৰাম ঢেকিয়াল ফুকন, চিভিলিয়ান আনন্দৰাম বৰুৱা, সাহিত্যৰথী হেমচন্দ্ৰ বৰুৱা, নেতা, সাহিত্যিক লম্বোদৰ বৰা, ৰায় বাহাদুৰ জগন্নাথ বৰুৱা, কৰ্ণেল শিৱৰাম বৰা, ইত্যাদি ইত্যাদি। এইসকলৰ ভিতৰত প্ৰায় সকলোই ইংৰাজ চৰকাৰৰ বাব (উপাধি) আদি খাই থকা বাবে প্ৰত্যক্ষ ভাবে প্ৰচলিত বঙালী ভাষাৰ ঠাইত অসমীয়া ভাষা প্ৰচলন কৰিবলৈ যত্ন কৰিব পৰা নাছিল। কিন্তু লম্বোদৰ বৰা, সত্যনাথ



বৰা, লক্ষ্মীনাথ বেজবৰুৱা আদি জোনাকী যুগৰ সাৰথিসকলে অসমীয়া ভাষাক পুনৰ প্ৰতিষ্ঠা কৰিবলৈ যৎপৰোনাস্তি চেষ্টা কৰিছিল। ফলত ১৮৭২ খৃঃৰ পৰা ইংৰাজ চৰকাৰে অসমীয়া ভাষাক অসমৰ ৰাজ্য ভাষা হিচাপে গ্ৰহণ কৰিবলৈ বাধ্য হয়। এইক্ষেত্ৰত সেই সময়ত অসমত থকা আমেৰিকান বেপ্টিষ্ট মিচনেৰীসকলৰ ভূমিকাও প্ৰণিধানযোগ্য। ওপৰত উল্লেখ কৰা মণীষী সকলৰ লগতে ক্ষণজন্মা লম্বোদৰ বৰাদেৰক সেয়ে অসমীয়া ভাষাৰ, অসমীয়া সাহিত্যৰ বাটকটীয়া বুলি ক'লেও বঢ়াই কোৱা নহ'ব।

**জন্ম আৰু বংশ পৰিচয় ঃ** লম্বোদৰ বৰাৰ পূৰ্বপুৰুষৰ নাম আছিল কান্দু বৰা। আহোম ৰজাৰ দিনত কান্দু বৰা শেণচোৱা খেলৰ বৰা বিষয়া আছিল। তেওঁৰ দুজন পুত্ৰ বৃকোদৰ বৰা আৰু দামোদৰ বৰা। গমিৰি মৌজাৰ কাকতি বৃকোদৰ বৰাই বৃকোদৰ কাকতিও লিখিছিল। ১৮৬০ চনত গমিৰি মৌজাৰ থালি পুখুৰী নামৰ গাঁৱত বৃকোদৰ বৰা আৰু হেমকান্তি বৰাৰ এটি পুত্ৰ সন্তান লম্বোদৰ বৰাৰ জন্ম হয়। বৰ্তমান সেই থালি পুখুৰী গাঁওখন ব্ৰহ্মপুত্ৰৰ বুকুত জাহ গ'ল। বান-খহনীয়াৰ বাবে সেই গাঁৱৰ বাসিন্দাসকল তেতিয়াই পূব ব্ৰহ্মাজান অঞ্চললৈ উঠি আহি 'থালি পুখুৰী পাম' নামেৰে এখন নতুন গাঁও হাবি কাটি প্ৰতিষ্ঠা কৰে। উল্লেখযোগ্য যে বৰ্তমানৰ এই থালি পুখুৰী গাঁৱত লম্বোদৰ বৰাৰ স্মৃতিত ৰাইজে "লম্বোদৰ বৰা ৰঙ্গমঞ্চ আৰু পুথিভঁড়াল" নামেৰে এক অনুষ্ঠান প্ৰতিষ্ঠা কৰি তেওঁৰ নামত ব্যংগ একাংক নাট প্ৰতিযোগিতাৰ পাতনি মেলে।

**শৈশৱ ঃ** সোণালী শৈশৱ বুলি যাক কোৱা হয় লম্বোদৰ বৰাই সেই শৈশৱ নাপালে। কাৰণ তেওঁৰ ৮ বছৰ বয়স হওঁতেই ১৮৬৮ চনত মাতৃ হেমকান্তি বৰাৰ মৃত্যু হয়। তেতিয়াৰ অসমীয়া গাঁৱলীয়া জীৱনৰ ৮ বছৰীয়া সৰু মাউৰা ল'ৰা এটাৰ দুখ কষ্টৰ কথা ভাবিও ভয় লাগে। তথাপি অফুৰন্ত মনৰ সাহস থকা লম্বোদৰ বৰাই নিজৰ দুজন ভায়েক মোহোধৰ (৬ বছৰ), হলিৰাম (৪ বছৰ)ৰ সম্পূৰ্ণ দায়িত্ব গ্ৰহণ কৰি জীৱন যুঁজত জপিয়াই পৰিল। অত্যুৎসাহী লম্বোদৰ বৰাই দুয়ো ভায়েকক চোৱাচিতা কৰাৰ লগতে দেউতাক বৃকোদৰ

বৰাৰ কামতো সহায়ৰ হাত আগবঢ়াইছিল। সেই সময়ত গমিৰিৰ ওচৰে পাজৰে কোনো শিক্ষানুষ্ঠান নথকাৰ বাবে ঘৰৰ সকলো কামবন কৰি, গৰু গাই ৰখিও লম্বোদৰ বৰাই দেউতাকৰ ওচৰত অতি মনোযোগেৰে প্ৰাথমিক শিক্ষা গ্ৰহণ কৰিছিল। প্ৰায়ে গাঁৱৰ ল'ৰা ছোৱালীবোৰৰ লগত গৰু চৰাবলৈও যাব লগা হৈছিল। বটলাগড় নামৰ গোপচাৰ এটাৰ বৰআঁহত গছজোপাৰ তললৈ গৰু চৰাবলৈ যাওঁতেও লম্বোদৰ বৰাই হাতত সদায়ে এখন পাঠ্যপুথি লৈ গৈছিল। লগৰ সকলো শিশুৱে চিঞৰ বাখৰ কৰি খেলাত বিভোৰ থকা সময়ত লম্বোদৰ অধ্যয়নত মগ্ন হৈ আছিল। এটা সময়ত গৰুবোৰ বহুদূৰ আঁতৰি গ'লে - "ব'ল লম্বো ব'ল অ' - গৰু ঘূৰাবৰ হ'ল অ'" বুলি লগৰবোৰে চিঞৰিলে লম্বোদৰে সিহঁতক সাধু শুনোৱাৰ কথাদি গৰুবোৰ ঘূৰাই আনিবলৈ পঠাই নিজে বটলাগড়ৰ বৰআঁহতৰ তলত অকলশৰে অধ্যয়নত মগ্ন হৈছিল। ঘূৰি আহি গোটেইজাকে লম্বোদৰক হেঁচা মাৰি ধৰেহি আৰু তেওঁ সিহঁতক কৈ শুনাইছিল ৰজা ৰাণীৰ সাধু, পৰীৰ সাধু, দৈত্যৰ সাধু। সাধু শুনি মুগ্ধ হৈ পিছলৈ লম্বোদৰক গৰু ঘূৰাবলৈ লগ নধৰা হৈছিল। এইদৰেই প্ৰায় বাৰ বছৰ বয়সলৈকে ঘৰতে অধ্যয়ন কৰি প্ৰাথমিক শ্ৰেণীৰ সকলো কিতাপ সুন্দৰকৈ পঢ়িব পৰা হৈছিল।

**শিক্ষা ঃ** প্ৰায় ১২ বছৰ বয়সলৈকে লম্বোদৰ বৰাই পঢ়াশালিৰ মুখ দেখাৰ পৰা বঞ্চিত হৈ আছিল। ইং ১৮৭২ চনত গমিৰি মৌজাত প্ৰথমখন চৰকাৰী বিদ্যালয় স্থাপন হোৱাত দেউতাকে লম্বোদৰ বৰাক নাম লগাই দিয়ে। সেই বিদ্যালয়ৰ প্ৰধান শিক্ষক আছিল ন-দুৱাৰ বৰভগীয়া মৌজাৰ বাঞ্চাৰাম পণ্ডিত। পণ্ডিতে লম্বোদৰৰ বুদ্ধিমত্তাত আৰু পঢ়াৰ প্ৰতি ধাউতি দেখি অতি সন্তুষ্ট হৈ তেওঁক বিশেষ যত্ন লৈছিল। এবাৰ পঢ়াশালিখন পৰিদৰ্শনৰ বাবে আহি পৰিদৰ্শকে লম্বোদৰ বৰাক কৰা প্ৰশ্নবোৰৰ যথাযথ আৰু শুদ্ধ উত্তৰ পাই অতি মুগ্ধ হৈছিল আৰু দেউতাক বৃকোদৰ বৰাক মাতি আনি ছাত্ৰজনক তেজপুৰৰ সদৰ মজলীয়া বিদ্যালয়লৈ যেনে তেনে পঠাবলৈ অনুৰোধ কৰিছিল।

দেউতাকেও লম্বোদৰক খোজকাঢ়ি, গৰুগাড়ী, নাও, ষ্টিমাৰ আদিত নি



তেজপুৰ পোৱালেগৈ আৰু সদৰ মজলীয়া বিদ্যালয়ত নাম ভৰ্তি কৰি দিলেগৈ। তেনে সুবিধা লাভ কৰি লম্বোদৰে নিজৰ অধ্যৱসায়, জ্ঞান পিপাসা আৰু মেধাৰ গুণত আগবাঢ়ি গ'ল আৰু সকলো শিক্ষকৰে অতি প্ৰিয়পাত্ৰ হৈ পৰিছিল। তাত দুবছৰমান পঢ়াৰ পিছত ১৮৭৭ চনত লম্বোদৰ বৰাই ছাত্ৰবৃত্তি পৰীক্ষা দিয়ে আৰু সুখ্যাতিৰে উত্তীৰ্ণ হৈ মাহে ৪/-(চাৰিটকা) টকাকৈ বৃত্তি লাভ কৰে।

এইবাৰ লম্বোদৰে তেজপুৰ উচ্চ ইংৰাজী বিদ্যালয়ত নাম ভৰ্ত্তি কৰে। নতুন বিষয় ইংৰাজী আৰু সংস্কৃতত অতি মনোযোগ দি পঢ়িবলৈ লয় আৰু উৎকৰ্ষ সাধন কৰিবলৈ সক্ষম হয়। লম্বোদৰৰ অন্য বিষয়ৰ লগতে ইংৰাজীত বিশেষ ব্যুৎপত্তি দেখি সেই সময়ৰ তেজপুৰৰ হাকিম ফটিক চন্দ্ৰ দত্তই তেওঁক এখন ডাঙৰ ৱেৱষ্টাৰ'চ অভিধান উপহাৰ দিয়ে। সেই অভিধানখন তেওঁ জীৱনৰ শেষ সময়লৈকে লগতে ৰাখিছিল।

তেজপুৰলৈ আহি প্ৰথমেই তেওঁ দেউতাক বৃকোদৰ বৰাৰ বন্ধু কলিবাৰীৰ সোণাৰাম পটঙ্গীয়াৰ ঘৰৰ চৌহদতে সৰুকৈ খেৰ বাঁহৰ ঘৰ এটা সাজি থাকিবলৈ লৈছিল। মাজে মাজে দেউতাকে চাউলপাত আদি আনি দি যায়হি। কিন্তু পটঙ্গীয়াৰ পৰিয়ালে লম্বোদৰ বৰাৰ পঢ়াশুনাৰ প্ৰতি ধাউতি দেখি আৰু তেওঁৰ নিৰ্মল স্বভাৱ চৰিত্ৰ দেখি মৰমতে নিজৰ লগতে খোৱা বোৱাৰ ব্যৱস্থা কৰি দিছিল।

ছাত্ৰাৱস্থাত লম্বোদৰ বৰা সঁচা অৰ্থত আদৰ্শ ছাত্ৰ আছিল। সজ চিন্তা, সজ চৰ্চ্চা, সজ কৰ্ম তেওঁৰ জীৱনৰ ব্ৰত আছিল। তেজপুৰত তেওঁৰ সমনীয়া ছাত্ৰ সকলৰ মাজত লম্বোদৰ বৰা নেতা স্বৰূপ হৈ পৰিছিল। কাৰণ তেওঁৰ যত্নতে সকলোৰে মাজত 'ছাত্ৰ সভা' আলোচনী সভা, আদি প্ৰায়ে অনুষ্ঠিত হৈছিল আৰু সেই সভাবোৰত সমাজৰ দুৰ্নীতি ব্যভিচাৰ কেনেকৈনো দূৰ কৰিব পাৰি সেই বিষয়ে আলোচনা হোৱাৰ উপৰিও সাহিত্য বিষয়ক আলোচনাৰ লগতে মহৎ ব্যক্তি সকলৰ জীৱনী বিষয়ক আলোচনা হৈছিল। সেই ছাত্ৰাৱস্থাৰ পৰাই লম্বোদৰ বৰাৰ মনত সাহিত্যৰ বীজ অংকুৰিত হৈছিল আৰু কাকতে আলোচনীয়ে সমাজ পৰিৱৰ্ত্তনৰ বাবে লিখামেলা কৰিছিল।

কিন্তু দুখৰ কথা যে এইদৰে পঢ়াশুনা লিখামেলাৰ বাবে এটা পৰিবেশ

সৃষ্টি কৰি আগবাঢ়িবলৈ সংকল্প লওঁতেই গমিৰিৰ নিজা ঘৰত দেউতাক বৃকোদৰ বৰাৰ মৃত্যু হয়। লম্বোদৰৰ মূৰৰ ওপৰত যেন বিনামেঘে বজ্রপাত পৰিল। ঘাটমাউৰা লম্বোদৰে ভায়েকহঁতক লগতলৈ অতি কষ্টেৰে কিছুদিন পাৰ কৰিলে। আপদ বিপদত ম্রিয়মান নহৈ তেওঁ দৃঢ় সংকল্প ল'লে যে পঢ়াশুনা কৰিবই লাগিব। নহ'লে জীৱন অথলে যোৱাৰ উপৰিও দুখৰ হাত সাৰিব নোৱাৰিব। সেয়ে অতি কষ্টৰ মাজেৰে তেওঁ দুগুণ উৎসাহেৰে পুনৰ লিখাপঢ়াত মন দিলে আৰু পিতৃ বিয়োগৰ এটা বছৰৰ পিছত তেজপুৰ উচ্চ ইংৰাজী বিদ্যালয়ৰ পৰা এন্ট্ৰেন্স পৰীক্ষাত অৱতীৰ্ণ হয়। লম্বোদৰ বৰাই কঠোৰ পৰিশ্ৰমৰ ফল হাতে হাতে পালে আৰু এন্ট্ৰেন্স পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হয়। এইবাৰ তেওঁ চৰকাৰৰ পৰা বৃত্তিলাভ কৰে আৰু উচ্চ শিক্ষালৈ মন মেলি কলিকতালৈ ৰাওনা হয়। কলিকতাত তেওঁ ঈশ্বৰ চন্দ্ৰ বিদ্যাসাগৰৰ মেট্ৰপলিটান কলেজত এফ, এ (ফাৰ্ষ্ট আৰ্টছ) শ্ৰেণীত নাম ভৰ্ত্তি কৰে। কিন্তু অসমৰ পঢ়াশালিৰ তুলনাত মেট্ৰপলিটান কলেজৰ পঢ়াৰ মানদণ্ড অতি উচ্চ খাপৰ আছিল বাবে লম্বোদৰ বৰাই দুবছৰ পঢ়ি এফ, এ, পৰীক্ষাত উত্তীৰ্ণ হ'ব নোৱাৰিলে। ফলত তেওঁৰ চৰকাৰী বৃত্তিও বন্ধ হৈ যায়। কলিকতাৰ পঢ়াৰ খৰচ যোগাবলৈ পৰিয়াল পৰিজনৰ সামৰ্থ্য নাছিল। সকলোৰে কাষ চাপিও তেওঁ নিৰাশ হ'ল যদিও ভগ্ন মনোৰথ নহৈ বুকুত সাহ বান্ধি ইজন সিজন বন্ধু বান্ধৱৰ ওচৰলৈ গৈ সকলো বিবৰি ক'লেগৈ। শেষত কেবাজনেও তেওঁক সহায়ৰ হাত আগবঢ়াবলৈ ওলাই আহিল। তাৰ ভিতৰত উল্লেখযোগ্য আছিল হৰি বিলাস আগৰৱালা আৰু ৰায় বাহাদুৰ মাধৱ চন্দ্ৰ বৰদলৈ।

সেই সময়তে তেওঁ বাগিচাৰ চাকৰি আৰু চৰকাৰী চাকৰিও পাইছিল কিন্তু শিক্ষা আধৰুৱা কৰি চাকৰি কৰা মানুহ লম্বোদৰ বৰা নাছিল। সেয়ে উল্লিখিত দুজন সদাশয় ব্যক্তি আৰু বন্ধু বান্ধৱৰ পৰা কিছু ধন সংগ্ৰহ কৰি তেওঁ পুনৰ কলিকতা পালেগৈ। সেই সময়ত কলিকতালৈ ষ্টীমাৰ বা ভাপনাওতহে ব্ৰহ্মপুত্ৰইদি ভটিয়াই যাব লগা হৈছিল। এইবাৰ দৃঢ়মনা লম্বোদৰ বৰাই অতি নিষ্ঠাৰে পঢ়াশুনা কৰি এফ, এ, (ফাৰ্ষ্ট আৰ্টছ) পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হয়। তাৰ পিছতে বহুতো লিখালিখি কৰি অসমৰ ইংৰাজ চৰকাৰে বন্ধ কৰি দিয়া বৃত্তি পুনৰ পাবলৈ সক্ষম হয়।



এইবাৰ তেওঁ স্নাতক শাখাত নাম লগায় আৰু অতি অধ্যৱসায়েৰে পঢ়া শুনা কৰি ১৮৮৫ চনত সু-খ্যাতিৰে বি, এ পৰীক্ষাত উত্তীৰ্ণ হয়। কলিকতা বিশ্ববিদ্যালয়ৰ পৰা অবিভক্ত দৰং জিলাৰ প্ৰথম বি, এ, আছিল লম্বোদৰ বৰা। এইবাৰ তেওঁৰ মনৰ আশাৰ লগতে দৃঢ়তা আৰু বাঢ়িল। বি, এ, পাছ কৰাৰ লগে লগে তেওঁলৈ বহুতো লোভনীয় চাকৰি আহিছিল। কিন্তু পৰাধীন দেশ এখনত ৰায়তক সেৱা কৰিবৰ বাবে আইন অধ্যয়ন অপৰিহাৰ্য্য বুলি তেওঁ মনতে ভাবিলে যদিও অৰ্থাভাৱত থমকি ৰ'ব লগা হ'ল।আইন অধ্যয়ন কৰিবলৈ, দৃঢ় সংকল্প লৈ খৰচ উলিয়াবৰ বাবে নগাপাহাৰৰ কহিমা চৰকাৰী উচ্চ ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক হিচাপে মাহিলী ১০০ টকা দৰমহাৰে যোগদান কৰেগৈ। ''ইয়াৰ (কহিমা হাইস্কুলৰ) পোন প্ৰথম হেডমাষ্টৰ আছিল সুপ্ৰখ্যাত অসমীয়া সাহিত্যিক লম্বোদৰ বৰা'' (মোৰ সোঁৱৰণী পদ্মনাথ গোহাঞি বৰুৱা) অৰ্থাৎ লম্বোদৰ বৰাই বি, এ, পাছ কৰোতেই এজন প্ৰতিষ্ঠিত সাহিত্যিক হিচাপে চিনাকি দিব পাৰিছিল। নগাপাহাৰত দুটা বছৰ চাকৰি কৰাৰ পিছত যি পাৰে ধন সাঁচি পুনৰ কলিকতালৈ ৰাওনা হয়। আইন কলেজত অতি কঠোৰ পৰিশ্ৰমেৰে অধ্যয়ন কৰি বি. এল. পৰীক্ষা সুখ্যাতিৰে পাছ কৰে। বি. এল. ডিগ্ৰী লৈ তেওঁৰ লক্ষ্যত উপনীত হৈ অসমলৈ ঘূৰি আহে আৰু তেজপুৰত নিগাজিকৈ বহি আইন ব্যৱসায় আৰম্ভ কৰে।

**আইনজীৱী লম্বোদৰ বৰা ঃ** লম্বোদৰ বৰা আছিল পুৰণি দৰং জিলাৰ প্ৰথম বি. এল.। এই বৃত্তিত তেওঁ নিজে ধন ঘটাতকৈ হোজা অসমীয়া মানুহখিনিক আইনৰ সেৱা আগবঢ়োৱাটোহে মূল লক্ষ্য আছিল। হকে বিহকে সৰল সহজ অসমীয়া গাঁৱলীয়া মানুহখিনিৰ ওপৰত ইংৰাজ চৰকাৰে ক'ৰ জাপি দিলে তেওঁ নিজববীয়াকৈ আইনী যুঁজেৰে যুঁজি দুখীয়া ৰাইজক সকাহ দিছিল। আইনী সেৱাৰ বাহিৰেও সাধাৰণ মানুহখিনিৰ দুখ দুৰ্দ্দশা, অভাৱ অভিযোগৰ প্ৰতি তেওঁ সদা সচেতন আছিল আৰু তেওঁলোকৰ হৈ চৰকাৰৰ ওচৰত বহুতো আবেদন নিবেদন কৰিছিল। চৰকাৰী চাকৰিয়াল আৰু আৰক্ষীৰ বিষয়া সকলে সাধাৰণ ৰাইজক কৰা শোষণ আৰু অত্যাচাৰৰ বাবে লম্বোদৰ বৰাই সততে মাত মাতিছিল। ''তাত (তেজপুৰত) তেওঁৰ প্ৰতাপত দূৰন্ত পুলিচ শান্ত হৈ

পৰিছিল।'' (আনন্দ চন্দ্ৰ আগৰৱালা 'বিজুলি' - দ্বিতীয় বছৰ)

**সামাজিক অৱদান ঃ** সামাজিক দায়বদ্ধতা লম্বোদৰ বৰাৰ চাৰিত্ৰিক বৈশিষ্ট্য আছিল। তেজপুৰৰ সামাজিক জীৱনত তেওঁৰ অৱদান আছিল অপৰিসীম। ছাত্ৰাৱস্থাৰে পৰা সভা সমিতি পাতি সাধাৰণ মানুহখিনিৰ মাজত সজাগতা আনিবলৈ আৰু সমাজৰ পৰা দুৰ্নীতি ভ্ৰষ্টাচাৰ আঁতৰাবলৈ তেওঁ সদাজাগ্ৰত আছিল। লম্বোদৰ বৰাৰ যত্নতে তেজপুৰৰ আৰক্ষী বিষয়া আৰু চৰকাৰী বিষয়া সকলৰ স্বেচ্ছাচাৰিতা নোহোৱা হৈছিল। সেই সময়ৰ এক অতি কু-প্ৰথা ''বেগাৰ ধৰা'' প্ৰথা লম্বোদৰ বৰাই বহু যত্নেৰে যুঁজি চিৰদিনৰ বাবে বন্ধ কৰিবলৈ সক্ষম হৈছিল। অসমীয়া ভাষাৰ দুৰ্দশা দেখি সেই সময়ত কলিকতাত অধ্যয়ন বা বসবাস কৰি থকা জোনাকী যুগৰ সাৰথিসকলে ''অসমীয়া ভাষা উন্নতি সাধিনী সভা'' (অঃ ভাঃ উঃ সাঃ সঃ) স্থাপন কৰাৰ দৰে একেই আৰ্হিৰে তেজপুৰতো লম্বোদৰ বৰাৰ যত্নত অঃ ভাঃ উঃ সাঃ সঃ ৰ জন্ম হয় আৰু ইয়াৰ প্ৰথম সম্পাদক হয়। সেই সময়ত অসমীয়া ভাষাৰ ঘাই শত্ৰু বঙালী ভাষাৰ পৃষ্ঠপোষকসকলৰ লগত লম্বোদৰ বৰা আৰু সেই সময়ৰ ভাষাহিতৈষী সকলৰ অঘোষিত শীতল যুদ্ধত নামি পৰিবলগা হৈছিল। সেয়ে লম্বোদৰ বৰাৰ ভূমিকা দেখি বহুভাষী সকলে তেওঁকেই ঘাই প্ৰতিদ্বন্দ্বী বুলি বিবেচনা কৰিছিল। অঃ ভাঃ উঃ সাঃ সঃ ৰ বাহিৰেও ''অসমীয়া ভাষা আলোচনী সভা'' নামেৰে এক মাহেকীয়া অনুষ্ঠান পাতি অতি দক্ষতাৰে ইয়াৰ কাম কাজ চলাই গৈছিল। মৃত্যুৰ আগলৈকে তেওঁ এই অনুষ্ঠানৰ সক্ৰিয় ভাবে লাগি আছিল আৰু তেজপুৰৰ 'টাওন হল'ত অতি আড়ম্বৰপূৰ্ণভাবে অনুষ্ঠানৰ বছেৰেকীয়া অধিবেশন অনুষ্ঠিত কৰি আনন্দৰাম বৰুৱাৰ বিষয়ে এক অনন্যসুন্দৰ ভাষণ আগবঢ়াই সকলোকে মোহিত কৰিছিল। তেওঁৰ মৃত্যুৰ দুটা দশকৰ পিছত সম্ভৱতঃ অঃ ভাঃ উঃ সাঃ সঃ আৰু অসমীয়া ভাষা আলোচনী সভাৰ লগত জড়িত পদ্মনাথ গোহাঞিবৰুৱা প্ৰমুখ্যে সম্ভ্ৰান্ত সাহিত্যিক তথা অসম হিতৈষী সকলেই তেজপুৰত বিখ্যাত সাহিত্য, সংস্কৃতি, ক্ৰীড়া, সঙ্গীতৰ অনন্য অনুষ্ঠান 'অসমীয়া ক্লাব' **১৯১৫** চনত স্থাপন কৰে।



**সাহিত্য চৰ্চা ঃ** লম্বোদৰ বৰাই মজলীয়া বিদ্যালয়ত পঢ়ি থকা ছাত্ৰাৱস্থাৰে পৰা **১১**(এঘাৰ) বছৰ বয়সৰ পৰাই ''আসাম বিলাসিনী'' কাকতত প্ৰৱন্ধ আদি লিখি সাহিত্যিক জীৱনৰ পাতনি মেলে। সেই সময়ত কিন্তু তেওঁ তেজপুৰত বঙলা বিদ্যালয়ত বঙালী ভাষাত অধ্যয়নৰত আছিল। তাৰ পিছত তেওঁ ''অৰুণোদই'' কাকততো প্ৰবন্ধাদি লিখিবলৈ আৰম্ভ কৰে।

- **১৮৮২-১৮৮৫** চনৰ হেমচন্দ্ৰ বৰুৱাৰ সম্পাদনাত প্ৰকাশিত ''আসাম নিউজ'' কাকতত বহুতো মূল্যবান প্ৰৱন্ধ আগবঢ়ায়। তাৰ ভিতৰত বিশেষকৈ ''দৰং জিলাৰ বেগাৰ ধৰা প্ৰথা'' নামৰ প্ৰবন্ধটিৰ কেইবা সংখ্যাতো প্ৰকাশিত হয় আৰু চৰকাৰে অৱশেষত বেগাৰ ধৰা প্ৰথা বন্ধ কৰিবলৈ বাধ্য হয়।
- ''আসাম বন্ধু'' (**১৮৮৫-১৮৮৬**) কাকতত লম্বোদৰ বৰাই এজন ব্যঙ্গ সাহিত্যিক ৰূপে ভুমুকি মাৰে। ''সদানন্দ'' ছদ্ম নামেৰে তেওঁ বহুতো ব্যংগ ৰচনা যেনে ''সদানন্দৰ কলাঘুমটি, 'সদানন্দৰ সানমিহলি টোকা,' 'সদানন্দৰ সমাচাৰ' নামেৰে দুটা প্ৰবন্ধ আৰু সদানন্দৰ নতুন অভিধান লিখি তোলপাৰ লগাইছিল। অসমীয়া মানুহৰ ভণ্ডামি তেওঁ এই ৰচনাসমূহৰ মাজেৰে সমালোচনা কৰিছিল। তেওঁ ব্যংগ কৰি নিজৰ নামটোও ''স্যাদানেণ্ড'' বুলি লিখিছিল। সদানন্দৰ নতুন অভিধানত তেওঁ এটা শব্দৰ অৰ্থ কেনেকৈ দিছিল চালেই তেওঁৰ এক অনন্য পৰিচয় পোৱা যাব।

**'সভ্য' বা civilized ঃ** ''ভাল কাপোৰ পিন্ধা, ভাল ঘৰত থকা, বেপাৰ বা যেনে তেনে মতে ধন ঘটা, সকলো বস্তু খোৱা, ধৰ্ম কৰ্ম নমনা, আইনমতে চুৰি আৰু ডকাইতি কৰা, মুখত ধৰ্ম, পেটত পাপ, বাহিৰ বগা ভিতৰ ক'লা, কেৱল তিৰোতা, ফেশ্যন (fashion - ধুন) আৰু ধনৰ গোলাম, বোপাইক আইৰ গিৰিয়েক, আইক বোপাইৰ পৰিয়াল বোলা সভ্যৰ এটা বড় গুণ''। আন এটা শব্দ। **''ভাৰত উদ্ধাৰ'' ঃ** টকা ঘটাৰ উপায়, লোক ভুলোৱাৰ মন্ত্ৰ, অসমীয়া ভাষাৰ কাঠ সংস্কাৰ, দুখীয়াৰ ভেঁটি খোৱা, দেশী ভাইক হিংসা কৰা, ভাৰতৰ একতা নাশ কৰা, স্বাৰ্থসিদ্ধি শত্ৰু দমনৰ কৌশল, অসমীয়াক ঠগা, প্ৰতাৰণা, প্ৰৱঞ্চনা, কপটতা ইত্যাদি, ইত্যাদি অৰ্থাৎ পৰৰ চকুত ধূলি দি নিজে ধন, মান

আৰু যশস্যা অৰ্জাৰ মন্ত্ৰ।'' এনে ধৰণৰ অজস্ৰ চিন্তা, তেওঁ আজিৰ পৰা প্ৰায় ডেৰশ বছৰৰ আগতেই কৰিছিল যিবোৰ সদায়ে প্ৰাসঙ্গিক হৈ থাকিব। মহিলা সমাজতো সেইসময়ত ওভতগোৰে নচা চৰিত্ৰ লক্ষ্য কৰি আন এক উল্লেখযোগ্য ব্যংগ ৰচনা ''মত্ত মাতঙ্গিনী বৰুৱা আৰু দেবী সুন্দৰী'' নামেৰে প্ৰকাশ কৰিছিল। এনেবোৰ লেখাৰ বাবেই লম্বোদৰ বৰাই এজন ব্যংগ সাহিত্যিক ৰূপে এক বিশেষ আসন পাইছিল।

- 'জোনাকী' নামৰ আলোচনীত লম্বোদৰ বৰাৰ বহুতো তত্ব গধুৰ আৰু মূল্যবান প্ৰবন্ধ প্ৰকাশ পাইছিল। উল্লেখযোগ্য প্ৰবন্ধ আছিল - 'উপন্যাস আৰু আত্মহত্যা,' 'অসমীয়া ভাষাৰ আখৰ জোটনি', 'গান' ইত্যাদি। 'গান' প্ৰবন্ধত তেওঁ লিখিছিল - ''সংসাৰ মৰুত গান সৰোবৰ।'' গানৰ মাজেৰেই মানুহে দুখ শোক পাহৰি থাকিব পাৰে। গানে ভাববোৰ কিমান জীৱিত কৰি ৰাখিব পাৰে আন একোৱে নোৱাৰে। গানে নিষ্ঠুৰক চেনেহীয়াল কৰে, ভীৰুক সাহিয়াল কৰে, স্বাৰ্থপৰক পৰোপকাৰী কৰে।'' উল্লেখযোগ্য যে আজি একবিংশ শতিকাত ''মিউজিক থেৰাপি'' হিচাপে বিভিন্ন ৰোগ নিৰাময়ৰ বাবে সঙ্গীত ব্যৱহাৰ কৰা হৈছে যিটো কথা লম্বোদৰ বৰাই ডেৰশ বছৰৰ আগতেই চিন্তা কৰিছিল। 'আখৰ জোটনি' প্ৰবন্ধত তেওঁ উচ্চাৰণৰ ভিত্তিতকৈ বৈজ্ঞানিক পদ্ধতিৰে এটি ধৰা বন্ধা নিয়মৰ মাজেৰে 'আখৰ জোটনি লিখিলে অসমীয়া ভাষাৰ উন্নতি হ'বই বুলি দৃঢ়মত প্ৰকাশ কৰিছিল। 'জোনাকী' (৪ৰ্থ ভাগ)ত প্ৰকাশিত 'উপন্যাস আৰু আত্মহত্যা' নামৰ প্ৰৱন্ধেৰে বৰাদেৱে লক্ষ্মীনাথ বেজবৰুৱাদেবৰ পদ্মকুমাৰী উপন্যাসখনক ক্ষুৰধাৰ সমালোচনা কৰিবলৈও সাহস কৰিছিল। - ''বিজুলী'' কাকতখনকো লম্বোদৰ বৰাই তেওঁৰ বহুতো মূল্যবান প্ৰৱন্ধেৰে সমৃদ্ধ কৰিছিল। তাৰ ভিতৰত বিশেষকৈ আনন্দৰাম বৰুৱাৰ জীৱনী গ্ৰন্থৰ পাতনিখন উল্লেখযোগ্য। সংস্কৃত ভাষা চৰ্চাৰ লগত ওতঃপ্ৰোত ভাবে জড়িত আনন্দ ৰাম বৰুৱাই আশা কৰিছিল যে সংস্কৃতৰ অধ্যয়নেহে ভাৰতৰ ঐতিহ্যময় গৌৰৱ জীয়াই ৰাখিব আৰু অন্ধাকাৰ যুগ' পোহৰাই পেলাব। সেয়ে লম্বোদৰ বৰাই তেওঁৰ জীৱনী লিখিবলৈ আৰম্ভ কৰি প্ৰথমে পাতনিখন 'বিজুলী'ত প্ৰকাশ কৰিছিল। কিন্তু দুখৰ বিষয় জীৱনীটোৰ আধৰুৱা



পাণ্ডুলিপি তেওঁৰ জ্বলাই দিয়া লিখনিসমূহৰ লগতে প্ৰায় জাহ গ'ল।

- ১৮৮৬ খৃষ্টাব্দত আউনীআটি সত্ৰৰ পৰা শ্ৰীধৰ বৰুৱাৰ সম্পাদনাত প্ৰকাশিত 'আসাম তৰা' কাকতত লম্বোদৰ বৰাই 'বিয়াৰ খৰচ' আৰু 'অলংকাৰ পিন্ধাৰ দৰকাৰ' নামৰ দুটি অতি মূল্যবান প্ৰবন্ধ আগবঢ়ায়।

**প্ৰকাশিত পুথি ঃ** মহাকবি কালি দাসৰ 'অভিজ্ঞান শকুন্তলম' নামৰ সংস্কৃত ভাষাৰ নাটকখন ''শকুন্তলা'' নামেৰে অসমীয়ালৈ অনুবাদ কৰি ১৮৮৭ চনত কহিমা হাইস্কুলত হেডমাষ্টৰ হৈ থকা কালতে ৰচনা কৰি প্ৰকাশ কৰিছিল। 'ল'ৰাবোধ', 'জ্ঞানোদয়', অসমীয়া প্ৰাকৃত ভূগোল, ল'ৰাবোধৰ অৰ্থবোধ, ল'ৰাবোধ দ্বিতীয়ভাগ, আনন্দৰাম বৰুৱাৰ জীৱন চৰিতৰ পাতনি আদি প্ৰকাশিত পুথি। উল্লেখযোগ্য যে 'ল'ৰাবোধ আৰু 'জ্ঞানোদয়' বহুদিনলৈকে স্কুলীয়া পাঠ্যপুথি ৰূপে প্ৰচলিত আছিল আৰু বৰ্ত্তমান দুয়োখনৰ দুই এটা লেখা অসমৰ পঞ্চম ষষ্ঠ শ্ৰেণীৰ পাঠ্যপুথিত সন্নিৱিষ্ট হৈ আছে। এই পুথিকেইখনত ছাত্ৰ-ছাত্ৰীৰ উপযোগীকৈ ঈশ্বৰ, স্বাস্থ্য, শৰীৰ, বতাহ, সময়, একতা, ৰাগিয়াল বস্তু পৰিশ্ৰম আদি বিভিন্ন বিষয়ৰ অতি প্ৰাঞ্জল ভাষাৰে বৰ্ণনা কৰিছে।

**অপ্ৰকাশিত গ্ৰন্থ ঃ** অসমীয়া ভাষা সাহিত্যৰ প্ৰতি নিজকে উচৰ্গা কৰা লম্বোদৰ বৰাৰ এক বিশাল পুথিভঁৰাল আছিল। সেই পুথিভঁৰালতে তেওঁৰ আজীৱন সাধনাৰ ফচল বহুতো পাণ্ডুলিপি সঞ্চিত হৈ আছিল। সঞ্চিত হৈ আছিল - কলিকতাৰ পুৰণা কিতাপৰ বজাৰ আৰু বিভিন্ন দেশৰ পৰা আনি সংগ্ৰহ কৰা দেশ বিদেশৰ নানা আপুৰুগীয়া গ্ৰন্থৰাজি। কিন্তু দুখৰ বিষয় যে তেওঁৰ কলেৰিক ডায়েৰিয়া (হাইজা) বেমাৰ হোৱা বুলি আৰু সেই বেমাৰৰ বীজাণু পুথিভঁৰালত থকা কিতাপপত্ৰবোৰত সোমাই থাকিব পাৰে বুলি অদ্ভুত যুক্তিৰে পুথিভঁৰালত থকা সমগ্ৰ সঞ্চিত কিতাপপত্ৰ ৰচনাৰাজি জ্বলাই দিয়া হ'ল। এই ঘটনা তেওঁক চিকিৎসা কৰা ভাষিক সংখ্যালঘু ডাক্তৰজনৰ ভীষণ ষড়যন্ত্ৰ আছিল বুলি আইতা বসুন্ধৰা বৰাই আমৃত্যু কৈ গ'ল। যি কি নহওক, এই ঘটনাত অসমীয়া সাহিত্য জগতৰ লগতে বছা বছা দেশী বিদেশী বহুতো পুথি

আৰু আপুৰুগীয়া সম্পদ ধ্বংস হৈ গ'ল। এইবোৰৰ মাজৰপৰা মাত্ৰ ঈশ্বৰ চন্দ্ৰ বিদ্যাসাগৰৰ জীৱন চৰিত, সমাজ দৰ্পণ নাটক আৰু আনন্দৰাম বৰুৱাৰ জীৱনী আদি আধাপোৰা অৱস্থাত উদ্ধাৰ কৰিব পৰা হৈছিল।

**সামৰণি ঃ** এইদৰেই একেবাৰে মৃতপ্ৰায় অৱস্থাত থকা এটা ভাষাক জোনাকী যুগৰ পূৰ্বৰে পৰা লম্বোদৰ বৰাই অতি সহজসৰল অথচ এক স্বকীয় গাম্ভীৰ্য্যপূৰ্ণ গদ্য শৈলীৰে অসমীয়া সাহিত্যলৈ এক অনন্য মাত্ৰা আগবঢ়াই থৈ গৈছে। জনগণক আইনী সেৱা আগবঢ়োৱা মানসেৰে তেজপুৰৰ আগৰ কিলবাৰ্ণছ কোম্পানীৰ কাষত আৰু উপাযুক্ত কাৰ্যালয়ৰ উত্তৰ প্ৰান্তত ঘৰ সাজি নিগাজিকৈ থাকিবলৈ লৈছিল। কিন্তু তেওঁৰ মনৰ আশা অপূৰ্ণ হৈ ৰ'ল। মাত্ৰ ৩২ বছৰ বয়সত ইং ১৮৯২ খৃষ্টাব্দৰ ১২ এপ্ৰিল ব'হাগ বিহুৰ আগদিনা নিজা ঘৰতে হাইজা ৰোগত লম্বোদৰ বৰা মৃত্যু মুখত পৰে। সেই সময়ত তেওঁৰ বিধবা পত্নী বসুন্ধৰা বৰাৰ কোঁচত আছিল একমাত্ৰ সন্তান নমহীয়া হেম চন্দ্ৰ বৰা।

কালৰ জোখত ক্ষণ জন্মা লম্বোদৰ বৰাই অসমীয়া ভাষা-সাহিত্যলৈ যুগজয়ী কীৰ্তি ৰাখি থৈ গ'ল। তেওঁৰ অসমীয়া গদ্য সাহিত্যলৈ অৱদান প্ৰসঙ্গত আনন্দ চন্দ্ৰ আগৰৱালাৰ ভাষাৰে ক'ব পাৰি ''অসমীয়া গদ্য সাহিত্যত তেওঁ যি সুৰ দি যায়, সেই সুৰৰ ধ্বনিত আজিও অসমীয়াৰ প্ৰাণৰ তন্ত্ৰী বাজি উঠে। ক'বলৈ গ'লে তেওঁ আমাৰ গদ্য সাহিত্যক গঢ়িত কৰি তুলিলে।''

লম্বোদৰ বৰাৰ মৃত্যুত লক্ষ্মীনাথ বেজবৰুৱাই 'জোনাকী' আলোচনীৰ তৃতীয় সংখ্যাৰ সম্পাদকীয়ত লেখিছিল ''যোৱা ১২ এপ্ৰিল তাৰিখে জহনী ৰোগত আমাৰ শ্ৰদ্ধাপদ বন্ধু লম্বোদৰ বৰা বি, এল, তেওঁৰ তেজপুৰৰ ঘৰত ঢুকাল, তেওঁ এজন উৎসাহী, প্ৰকৃত শিক্ষিত আৰু স্বাধীন ভাবৰ মানুহ আছিল। তেওঁৰ মৃত্যুত আসামে এখন কথা কোৱা মুখ, কাম কৰা হাত, এটা চিন্তা কৰা মূৰ হেৰুৱালে। অসমীয়া উকিলসকলে এজন উপযুক্ত লগৰীয়া, সভা সমিতি কৰাসকলে এজন উৎসাহী সঙ্গী, সাহিত্য ব্যৱসায়ীসকলে এজন লাগতিয়াল সহযোগী, স্বদেশহিতৈষীসকলে এজন নিভাঁজ বন্ধুৰ পৰা বঞ্চিত হ'ল।'' বেজবৰুৱাই কৈছিল - ''যত্ন আৰু অধ্যৱসায় থাকিলে যে অতি সৰু



অৱস্থাৰ পৰাও ডাঙৰ হৈ আহিব পাৰে, তাক বৰাৰ জীৱনৰ পৰাই বুজিব পাৰি। তেওঁ দুখীয়া সাধাৰণ চহা মানুহৰ ঘৰত জন্ম গ্ৰহণ কৰিও নানা অসুবিধা ঠেলি আপোন পৰিশ্ৰম আৰু অধ্যৱসায়ৰ গুণে বি, এ, বি, এল পৰ্য্যন্ত উত্তীৰ্ণ হৈ এজন গণ্যমান্য মানুহ হৈ উঠিছিল। তেওঁ যেতিয়া কলিকতাত থাকি পঢ়ে তেওঁৰ সৎ স্বভাৱ আৰু পঢ়াত বেছি মন দেখি তেওঁৰ লগৰীয়াসকলে "Good Boy" (ভাল ল'ৰা) নাম দিছিল।''

'জোনাকী'ৰ সম্পাদকৰ লেখাটোৰ শেষত কৈছিল - ''বৰাৰ মৃত্যুত জোনাকীয়ে এজন প্ৰকৃত বন্ধু আৰু ভাল লেখক হেৰুৱালে। এই সংখ্যাৰ জোনাকীতে 'উপন্যাস আৰু আত্মহত্যা'' বুলি তেওঁৰ হাতৰ এটা প্ৰবন্ধ আছে। আমি কৰা ক্ষুদ্ৰ ক্ষুদ্ৰ ''নোটে'' সৈতে সি ছপা হৈ যোৱাৰ পিছত হঠাৎ আমি তেওঁ মৰাৰ শোকজনক বাতৰি পাওঁ। আগেয়ে এই দাৰুণ বাতৰি পোৱাহেঁতেন আমি আমাৰ ''নোট'' কেতিয়াও নছপাওঁ। --- (জোনাকী সম্পাদক)''

[ বেজবৰুৱা - গ্ৰন্থাৱলী, তৃতীয়মঞ্চ, সাহিত্য-প্ৰকাশ পৃষ্ঠা - ২২২৮-২২২৯]